# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-FEB-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***

———————————————

অসমত ২০২৫-২৬ উৎপাদনত বৰ্ষত ৫০ হাজাৰ মেট্ৰিকটন চাহ উৎপাদন হৈছে আৰু ৪০ হাজাৰ মেট্ৰিকটন চাহ বিদেশলৈ ৰপ্তানি কৰা হৈছে। বৰ্ধিত ৰপ্তানিৰ ৫০ শতাংশই অৰ্থডক্স চাহ বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদমেলযোগে প্ৰকাশ কৰে। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত সংবাদমেলখনত মুখ্যমন্ত্ৰীয়ে কয়, যে ২৫ বছৰৰ পাছত ৰাজ্যৰ চাহৰ উৎপাদন বৃদ্ধি পাইছে আৰু বিশ্বৰ বজাৰত অসমে পুনৰ চাহৰ ক্ষেত্ৰত নেতৃত্ব ল'বলৈ আগবাঢ়িছে। অৰ্থডক্স চাহৰ উৎপাদন বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰে প্ৰতি কিলোগ্ৰাম চাহত ১০ টকাকৈ ৰাজ সাহায্য দি অহাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে যোৱা বছৰটোত অসমৰ মুঠ চাহৰ বিক্ৰী ১৯ হাজাৰ মেট্ৰিকটনলৈ বৃদ্ধি পাইছিল। চাহ নিলাম কেন্দ্ৰত ৰাজ্যখনৰ অৰ্থডক্স চাহৰ বিক্ৰী ১০০ শতাংশ বৃদ্ধি পাইছে বুলিও তেওঁ জানিবলৈ দিয়ে। ইউৰোপীয় সংঘ, গ্ৰেট ব্ৰিটেইন, আমেৰিকাৰ সৈতে হোৱা বাণিজ্যিক চুক্তিৰ ফলত অসমৰ চাহ উদ্যোগ লাভৱান হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। অৰ্থডক্স চাহৰ উৎপাদন বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰে প্ৰতি কিলোগ্ৰামত দি অহা ৰাজ সাহায্য ১০ৰ পৰা ১৫ টকালৈ বৃদ্ধি কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কালি চাহ উৎপাদন সংঘৰ সৈতে হোৱা আলোচনাত প্ৰকাশ কৰে।

**বাইট (চি এম)**

অসমৰ চাহক বিশ্বৰ বজাৰৰ শীৰ্ষ স্থানত ৰখাৰ বাবে ৰাজ্য চৰকাৰে সংকল্প লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে যোৱা পাঁচ বছৰত তেওঁৰ অনুৰোধমৰ্মে চাহ শ্ৰমিকৰ মজুৰি দুবাৰ বৃদ্ধি কৰা হৈছে। পুনৰ তেওঁলোকৰ মজুৰি বৃদ্ধিৰ বাবে চাহ উৎপাদন সংঘৰ নেতৃত্বক আহ্বান জনোৱাৰ বিষয়েও তেওঁ উল্লেখ কৰে। চলিত মাহৰ শেষভাগত পুনৰ তেওঁ এই সংঘৰ নেতৃত্বৰ সৈতে বৈঠকত মিলিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

oooooo

কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা শনিবাৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীৰ অসম ভ্ৰমণৰ পূৰ্বে কালি ডিব্ৰুগড়ৰ মৰাণত ভাৰতীয় বায়ুসেনাৰ যুঁজাৰু বিমানে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত পৰীক্ষামূলক উৰণ আৰু অৱতৰণ সম্পন্ন কৰে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কালি ছুখয়-থাৰ্টি, ৰাফেল, তেজশ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণৰ কৌশল প্ৰদৰ্শন কৰে। কাইলৈকে চলিবলগীয়া এই পৰীক্ষামূলক উৰণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণ প্ৰস্তুতিৰ অংশ।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে অহা শনিবাৰে জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাবে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। ইয়াৰ পূৰ্বে তেওঁ প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন ভাৰতীয় বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব।

ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখনো মুকলি কৰিব। মুকলিৰ পাছত প্ৰথম ১৫ দিন দলংখন যান-বাহন চলাচলৰ বাবে বন্ধ থাকিব।

এই সময়ছোৱাত জনসাধাৰণে দলংখনেৰে খোজকাঢ়ি অহা-যোৱা কৰিব পাৰিব। দলংখনেৰে পহিলা মাৰ্চৰ পৰা বাহন চলাচল কৰিব পাৰিব বুলি কালি প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ সন্দৰ্ভত সাংবাদিকৰে সৈতে বাৰ্তালাপত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে। অত্যাধুনিক পদ্ধতিৰে নিৰ্মাণ কৰা দলংখনত ১ মাৰ্চৰ পৰা সকলো ধৰণৰ বাহন অহা-যোৱা কৰিব পাৰিব বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে, ট্ৰাক আৰু বাছৰ দৰে গধূৰ বাহনৰ ক্ষেত্ৰত টোল কৰ দিব লাগিব যদিও দলংখনত বাকী বাহনৰ ক্ষেত্ৰত কোনো কৰ নালাগে।

শ্ৰীমোদীয়ে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং মুকলি কৰাৰ পাছত গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

০০০০০০

মাজুলী বিধানসভা সমষ্টিত আজি কেইবাটাও প্ৰকল্প শুভাৰম্ভ কৰাৰ লগতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্ম-সহায়ক গোটৰ ৩১ হাজাৰ ৯৫২ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ বীজ মূলধন বিতৰণ কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী যোগেন মহন আৰু মাজুলীৰ বিধায়ক ভূবন গাম উপস্থিত থাকিব। জিলাখনৰ গড়মূৰৰ মাণিকা পথাৰত দিনৰ ১১ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মাজুলী-যোৰহাট সংযোগী দলঙৰ অৱশিষ্ট নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিব।

০০০০০০

**সমাপ্ত**